بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## ছুলাহ হুদায়বিয়াৰ প্ৰেক্ষাপটত আঁহজৰত (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৬ ডিচেম্বৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُولُهُ أَمَّا بَعۡدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ছুলাহ হুদায়বিয়াহ সন্দৰ্ভত আজি বিশদভাৱে বৰ্ণনা কৰিম।

ছিৰত খাতামান নাবিঈনত হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে লিখিছে যে চুক্তিত ত্ৰুটি থাকে যি কেতিয়াবা পিছত গৈ গুৰুত্বপূৰ্ণ ফলাফলৰ কাৰণ হৈ পৰে। এই চুক্তিতো এই ত্ৰুটি ৰৈ গৈছিল। এই চুক্তিত যদিও মুছলমান পুৰুষৰ উভতি অহা সন্দৰ্ভত স্পষ্ট ভাৱে উল্লেখ আছিল কিন্তু মুছলমান মহিলাসকলৰ বিষয়ে কোনো উল্লেখ নাছিল। চুক্তিৰ কিছু সময় পাৰ হোৱাৰ পাছতে মুছলমান মহিলাসকলে মক্কাৰ পৰা পলায়ন কৰি মদিনা গৈ পায়। তাৰ ভিতৰত আগশাৰীৰ আছিল মক্কাৰ প্ৰয়াত মুশ্বৰিক নেতা উকবাহ ইবনে আবি মুয়িতৰ ছোৱালী উম্মে কলছুল, যিগৰাকী মাতৃৰ ফালৰ পৰা হজৰত উছমান বিন আফফান ((ৰাঃ)ৰ ভনী আছিল। উম্মে কলছুমে অতি সাহসেৰে দীৰ্ঘ যাত্ৰাৰ অন্তত খোজকাঢ়ি মদিনা গৈ আঁহজতৰ (ছাঃ)ৰ ওচৰত উপস্থিত হৈ ইছলামৰ কথা প্ৰকাশ কৰে। তাইৰ পিছে পিছে তাইৰ দুজন আত্মীয়ও মদিনা আহি তাইৰ উভতি যোৱাৰ দাবী জনায়। তেওঁলোকে কয় যে চুক্তিত কেৱল পুৰুষ শব্দটো ব্যৱহাৰ কৰা হৈছে, কিন্তু প্ৰকৃততে চুক্তিখন সাধাৰণ আৰু ইয়াৰ প্ৰভাৱ পুৰুষ মহিলা উভয়ৰে ওপৰত সমান। চুক্তিখনৰ শব্দৰ লগতে মহিলা দুৰ্বল লিংগ হোৱাৰ বাবে উম্মে কলছুম উভতি যোৱাৰ বাবে প্ৰস্তুত নাছিল। নবী কৰিম (ছাঃ)য়ে স্বাভাৱিক আৰু ন্যায্য ভাৱে উম্মে কলছুমৰ সপক্ষে সিদ্ধান্ত লৈছিল। সেই দিনতেই এই আয়াত

অৱতীৰ্ণ হয় যে যদি কোনো মহিলাই মক্কাৰ পৰা মদিনালৈ আহে তাইক ভালদৰে পৰীক্ষা কৰক, যদি তাই পুণ্যবান আৰু নিষ্ঠাবান বুলি প্ৰমাণিত হয় তেতিয়া তাইক উভতাই পঠোৱা নহ'ব। যদি তাই বিবাহিত তেতিয়া তাইৰ যৌতুক তাইৰ স্বামীক নিশ্চয় আদায় কৰি দিব।

চুক্তিখনত এটা চৰ্ত আছিল যে যদি কোনো মুছলমান পুৰুষ মক্কাৰ পৰা মদিনালৈ আহে তেতিয়া তেওঁক উভতাই পঠোৱা হ'ব, কিন্তু যদি কোনো পুৰুষ মদিনাৰ পৰা মক্কালৈ যায় তেতিয়া কাফিৰ সকলে তেওঁক উভতাই পঠোৱাৰ বাবে বাধ্য নহ'ব। বাহ্যিকভাৱে এই চৰ্তৰ দ্বাৰা মুছলমান সকলক অপমান কৰা বুলি প্ৰকাশ পাইছিল কিন্তু বাস্তৱতে এনেকুৱা নাছিল। আৰম্ভণীতে নবী কৰিম (ছাঃ)য়ে কৈছিল যে হয়, ঠিক আছে যিজন ব্যক্তি মদিনা ত্যাগ কৰি মুছলমানৰ পৰা বিচ্ছিন্ন হৈ যাব এনেকুৱা কপটাচাৰী আৰু লেতেৰা অংগৰ মানুহ মদিনালৈ উভতি অহাৰ কিয় প্ৰয়োজন আছে? কিন্তু চুক্তি অনুযায়ী কাফিৰসকলৰ দাবী অনুসৰি তেওঁক কুফাৰৰ সৈতে পঠিয়াই দিলে। যেতিয়া এই দলে তেওঁক লৈ গৈ আছিল, তেতিয়া বাটতে সুযোগ পাই তেওঁ দলৰ নেতাজনক হত্যা কৰি পেলায় আৰু আনজন ব্যক্তি পলায়ন কৰি মদিনা আহি যায়, তাৰ পিছে পিছে আবু বছিৰও মদিনা আহি যায়। আবু বছিৰ আঁহজৰত (ছাঃ)ক কয় যে আপুনি মোক কাফিৰৰ ওচৰত ন্যাস্ত কৰি দিছিলে, আপোনাৰ দায়িত্ব শেষ হৈ গৈছিল, কিন্তু খোদা তা'লাই মোক অত্যাচাৰী জাতিৰ পৰা মুক্তি প্ৰদান কৰিলে। আঁহজৰত (ছাঃ)য়ে কয় যে এই ব্যক্তিজনে যুদ্ধৰ অগ্নি জ্বলাই আছে। আবু বছিৰে এই কথা জানি যে আঁহজৰত (ছাঃ)য়ে নিশ্চয় চুক্তিৰ কাৰণে মোক উভতি যোৱাৰ বাবে ক'ব, তেতিয়া তেওঁ গোপনে মদিনাৰ পৰা ওলাই গৈ বেলেগ ঠাইত নিজৰ বাসস্থান কৰিলে। যেতিয়া মক্কাৰ দুৰ্বল মুছলমান সকলে আবু বছিৰৰ পৃথক ঠাইখনৰ বিষয়ে জানিব পাৰিলে তেতিয়া তেওঁলোকেও তাতে গৈ গোট খাবলৈ ধৰিলে। ইয়াৰ ভিতৰত আছিল মক্কাৰ নেতা ছুহেল বিন উমৰুৰ ল'ৰা আবু জান্দল। তেওঁলোকৰ সংখ্যা আছিল সত্তৰজন। কিছু বৰ্ণনা অনুসৰি তিনি শ লৈকে বৰ্ণনা আছিল বুলি কোৱা হয়। এইদৰে লাহে লাহে মদিনাৰ বাহিৰে আৰু এটা মুছলমান শাসনৰ অস্তিত্ব জন্ম লয়। এই এলেকা আছিল ছিৰিয়াৰ বাটত; সেই কাৰণে বেছিভাগ মুছলমান সকলৰ সৈতে কাফিৰসকলৰ সংঘৰ্ষ হৈ থাকিল। এই যুদ্ধৰ পৰা বিৰক্ত হৈ কাফিৰসকলে আঁহজৰত (ছাঃ)ৰ ওচৰলৈ দূতাবাস পঠিয়ায় অনুৰোধ কৰিলে যে সেই মুছলমান সকলক মদিনালৈ মাতি আনিব লাগে। যেতিয়া আঁহজৰত (ছাঃ)ৰ চিঠি আবু জান্দল আৰু আবু বছিৰৰ ওচৰলৈ গৈ পায় সেই সময়ত আবু বছিৰ ৰোগত আক্ৰান্ত হৈ বিছনাত পৰি আছিল তেওঁ বৰ উৎসাহৰ সৈতে হুজুৰ (ছাঃ)ৰ চিঠিখন হাতত লৈ ধৰি ৰাখে এনে অৱস্থাতেই তেওঁ মৃত্যু বৰণ কৰে, ইয়াৰ পিছত বাকী মুছলমানবিলাকে মদিনালৈ আহি গৈছিল। প্ৰাচ্যবাদসকলৰ মাজত আপত্তি কৰাৰ অভ্যাসটো আছে। হজৰত মিৰ্জা বশিৰ আহমদ (ৰাঃ)য়ে দুটা উল্লেখযোগ্য আপত্তিৰ ওপৰত মন্তব্য কৰিছে, তাৰ মাজত প্ৰথম আপত্তি মহিলাসকলক উভতাই পঠোৱাটো চুক্তিৰ উলংঘা কৰাৰ বিষয়ে, দ্বিতীয় আপত্তি হ'ল আবু বছিৰ আৰু আবু জান্দলৰ বিষয়ে।

এই আপত্তি সমূহৰ উত্তৰত এইটো মনত ৰখা উচিত, প্ৰথম কথা হ'ল এই চুক্তি মক্কাৰ কাফিৰ সকলৰ সৈতে কৰা হৈছিল সিহঁতে প্ৰথম দিনৰে পৰাই মুছলমান সকলৰ বিৰুদ্ধে যুঁজিবলৈ আৰম্ভ

কৰিছিল। মক্কাৰ কাফিৰসকলৰ সাক্ষ্য আছে যে আঁহজৰত (ছাঃ)য়ে কেতিয়াও চুক্তি উলংঘা কৰা নাছিল। ৰোমৰ ৰজা হৰকলে যেতিয়া আঁহজৰত (ছাঃ)ৰ তবলিগী চিঠি পায় তেতিয়া তেওঁ আবু ছুফিয়ান যিজন কাফিৰসকলৰ প্ৰমুখ নেতা আছিল সেই সময়ত তেওঁ ছিৰিয়াত আছিল তেওঁক মাতি আনি সেই প্ৰশ্নটো (উপৰত উল্লেখ হোৱা প্ৰশ্নটো) কৰা হয় তেতিয়া আবু ছুফিয়ানে উত্তৰত কয় যে নহয়, মহম্মদ (ছাঃ)য়ে কেতিয়াও চুক্তি উলংঘা কৰা নাই।

মহিলাসকলক উভতাই পঠোৱাৰ বিষয়ে যি আপত্তি তাৰ উত্তৰ হজৰত মিৰ্জা বশিৰ আহমদ (ৰাঃ)য়ে ছহী বুখাৰীত সন্নিবিষ্ট শব্দাৱলীৰ উদ্ধৃতি দি কয় যে এই স্পষ্ট আৰু নিঃচৰ্ত শব্দৰ ওপৰত আপত্তি কৰাটো কেৱল অন্যায়েই নহয় বৰং অত্যন্ত বেয়া বিশ্বাস। যদি এইটো কোৱা হয় যে কিছুমান বৰ্ণনাৰ চুক্তিৰ শব্দত পুৰুষ শব্দটো ব্যৱহাৰ কৰা নাই বৰঞ্চ সাধাৰণ শব্দ ব্যৱহাৰ কৰা হৈছে যাৰ অৰ্থ পুৰুষ মহিলা উভয়ে হ'ব পাৰে। ইয়াৰ উত্তৰ এইটো যে প্ৰথম শক্তিশালী ৰিৱায়ত য'ত পুৰুষ শব্দটো আহিছে সেইটোকে প্ৰাধান্য দিয়া হ'ব। দ্বিতীয় যিবোৰ ঐতিহাসিক বৰ্ণনাত বিভিন্ন শব্দাৱলী আহিছে সেইবোৰৰও একেটা ব্যাখ্যাই কৰা হৈছে। উদাহৰণস্বৰূপ ছিৰত ইবনে হিশামত যি শব্দাৱলী আহিছে তাতে যদিও পুৰুষ শব্দ উল্লেখ নাই কিন্তু সকলো সৰ্বনাম আৰু অভিব্যক্তি পুৰুষৰ বাবে ব্যৱহাৰ কৰা হৈছে।

দ্বিতীয় আপত্তি যি আবু বছিৰৰ ঘটনা সন্দৰ্ভত, ইয়াৰ প্ৰতি গভীৰ চিন্তা-ভাৱনা কৰিলে অৰ্থহীন আপত্তি বুলি জানিব পৰা যায়। আঁহজৰত (ছাঃ)য়ে যদিও এই চুক্তি কৰিছিল কিন্তু প্ৰশ্ন এইটো যে আঁহজৰত (ছাঃ)য়ে এই চুক্তিক উলংঘন কৰিছিল নে ? কেতিয়াও নহয়, তেখেত (ছাঃ)য়ে এই চুক্তি বাধ্যবাধকতাৰ সৈতে পালন কৰি সুন্দৰ আদৰ্শ স্থাপন কৰিছে।

চিন্তা কৰক ! আবু বছিৰ ইছলামৰ সত্যক স্বীকাৰ কৰি মক্কাৰ পৰা পলায়ন কৰে, গোপনে গোপনে মদিনা আহি পায়, কিন্তু তেওঁৰ অত্যাচাৰী আত্মীয় সকল তেওঁৰ পিছে পিছে আহি পায় আৰু তেওঁক তৰোৱালৰ ভয় দেখুৱাই উভতাই লৈ যাব বিচাৰিছিল। দুয়ো পক্ষই আঁহজৰত (ছাঃ)ৰ ওচৰত উপস্থিত হয়। আবু বছিৰে আঁহজৰত (ছাঃ)ক উচ্চস্বৰে কয় যে হে আল্লাহৰ ৰছুল ! খোদা তা'লাই মোক ইছলামৰ অনুগ্ৰহ প্ৰদান কৰিলে, মক্কাৰ দুখ কষ্টৰ জীৱন মোৰ সন্মুখতে, আপুনি এই সকলোবোৰ ঘটনা জানে, খোদাৰ স্বাৰ্থত মোক উভতাই নপঠাব; আনফালে আবু বছিৰৰ আত্মীয়সকলে চুক্তিৰ উদ্ধৃতি দিয়ে, এনে সময়ত আঁহজৰত (ছাঃ)য়ে নিজৰ হৃদয়ত বৰ আঘাত পাইছিল তথাপি তেখেত (ছাঃ)য়ে সততা আৰু বিশ্বস্ততাৰ প্ৰতি লক্ষ্য ৰাখিছিল।

তেখেত (ছাঃ)য়ে কৈছে যে হে আবু বছিৰ! তুমি জানা যে আমি তেওঁলোকৰ সৈতে চুক্তি প্ৰদান কৰিছোঁ, আমাৰ ধৰ্মৰ চুক্তি উলংঘন কৰা বৈধ নহয়। গতিকে, তুমি সিহঁতৰ সৈতে গুচি যোৱা, ইয়াৰ পিছতো যদি তুমি ইছলামৰ ওপৰত ধৈৰ্য আৰু দৃঢ় ভাৱে প্ৰতিষ্ঠিত থকা তেতিয়া খোদা তা'লাই তোমাক আৰু তোমাৰ দৰে নিপীড়িত লোকক মুক্তিৰ বাট মুকলি কৰিব। এই নিৰ্দেশ অনুসৰি আবু বছিৰে গুচি যায়। এই ঘটনা বিতং ভাৱে উল্লেখ কৰাৰ পিছতো যদি এই আপত্তি উত্থাপন কৰা হয় যে মক্কাৰ পৰা ওলাই যোৱা সকলো ব্যক্তিক মক্কাত উভতাই পঠোৱাৰ দায়িত্ব তেখেত (ছাঃ)ৰ ওপৰত;

চুক্তিখনত এনেকুৱা কোনো কথা উল্লেখ নাছিল। মদিনাৰ বাহিৰত থকা লোক সকলক ঘূৰাই অনাৰ দায়িত্ব তেখেত (ছাঃ)ৰ ওপৰত জাপি দিয়াটো বিবেকৰ পৰিপন্থী। এই চৰ্ত মক্কাৰ কাফিৰ সকলে নিজেই নিৰ্ধাৰণ কৰিছিল। তেওঁলোকে নিজে লগোৱা কাঁইটবোৰৰ বলি তেওঁলোক নিজেই হৈছিল। যদিও সেইসকল লোক আবু বছিৰৰ সৈতে সেই এলেকাত গোট খাইছিল ধৰ্মীয় ভাৱে সিহঁত মুছলমান আছিল, কিন্তু বাহ্যিক জাগতিক, ৰাজনৈতিক, শাসন আৰু আইন অনুসৰি তেখেত (ছাঃ)ৰ ওপৰত কোনো অধিকাৰ নাছিল, সেইসকল লোক ৰাজনৈতিকৰ বাবে আঁহজৰত (ছাঃ)ৰ অনুসাৰী নহ'ব, কাফিৰ সকলে নিজেই এই চৰ্ত ৰাখিছিল। কাফিৰ সকলে সেই মুছলমান সকলক যেতিয়া আঁহজৰত (ছাঃ)ৰ দলৰ পৰা বহিষ্কাৰ কৰিলে তেন্তে আঁহজৰত (ছাঃ)ৰ ওপৰত আপত্তি কিয় ? এইটো আছিল মক্কাৰ কাফিৰসকলৰ চক্ৰান্ত যি সিহঁতৰ ওপৰতেই উভতি পৰিল। তেখেত (ছাঃ) পৱিত্ৰ আছিল সেই কাৰণেও সেইবোৰো পৱিত্ৰ আছিল। তেখেত (ছাঃ)য়ে চুক্তিৰ শব্দাৱলী সম্পূৰ্ণ কৰি আবু বছিৰক মক্কাবাসীৰ অধীনস্থ কৰি দিলে আৰু তেখেত (ছাঃ)য়ে সেই চুক্তিৰ আত্মাক সম্পূৰ্ণ কৰিলে আৰু আবু বছিৰক আৰু সিহঁতৰ সংগীসকলক নিজৰ ৰাজনীতিৰ সীমাৰ পৰা বাহিৰত ৰাখিছিল। কিন্তু এওঁলোকে ন্যায়ৰ দৃষ্টিৰে কাম নকৰে, বিনা কাৰণে ইছলাম আৰু আঁহজৰত (ছাঃ)ৰ অস্তিত্বৰ ওপৰত আপত্তি কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে খোতবাৰ শেষত কয় যে আজিও ন্যায়ৰ দাবীদাৰৰ দ্বৈত মানদণ্ড একে, সম্প্ৰতি এইটো কথাই পৃথিৱীত দুৰ্নীতিৰ সৃষ্টি কৰিছে। আল্লাহ আজি জগতবাসীক আৰু বিশেষকৈ মুছলমান সকলক দাজ্জালী ফিৎনাৰ পৰা ৰক্ষা কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ ۔ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 6 DEC 2024**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB